অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং: ২৫৫

বিষয় : পলাশবাৰী সমষ্টিত এৰি-মুগাৰ ব্যৱসায় পুনৰ উজ্জীৱিত কৰাৰ সম্পৰ্কে।

উত্তৰ দানৰ তাৰিখ : ১৩-০৭-২০২৬

বিধায়কৰ নাম : শ্ৰীহিমাংশু শেখৰ বৈশ্য :

**প্ৰশ্ন**

মাননীয় হস্ততাঁত বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

বৰ্তমান পলাশবাৰী সমষ্টিত এৰি-মুগাৰ চাহিদা অনুসৰি বজাৰ নাই গতিকে এই উদ্যোগটো পুনৰ উজ্জীৱিত কৰিবৰ বাবে বিভাগে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি ? সদনত সবিশেষ জনাব।

**উত্তৰ**

মাননীয় হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী শ্ৰীযুত বিশ্বজিৎ দৈমাৰী মহোদয়ে উত্তৰ দিব:

হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগে পলাশবাৰী বিধান সভা সমষ্টিত এৰি আৰু মুগা খণ্ডৰ উন্নয়ন তথা পুনৰুজ্জীৱনৰ বাবে বিভিন্ন আঁচনিৰ জৰিয়তে ব্যৱস্থা গ্ৰহণ কৰি আছে।

পলাশবাৰী বিধানসভা সমষ্টিৰ হস্ততাঁত, বিশেষকৈ এৰি খণ্ডৰ সামগ্ৰিক বিকাশৰ লক্ষ্যৰে, ইয়াক বিশ্বমানৰ প্ৰতিযোগিতামূলক, বহনক্ষম আৰু মূল্য সংযোজিত উদ্যোগ হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে ভাৰত চৰকাৰলৈ এখন উপযুক্ত প্ৰকল্প প্ৰস্তাৱ দাখিল কৰা হ'ব। প্ৰস্তাৱখনত উৎপাদন ক্ষমতা বৃদ্ধি, দক্ষতা আৰু আন্তঃগাঁথনি উন্নয়ন, ক্লাষ্টাৰভিত্তিক বিকাশ, দেশীয় আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰৰ সৈতে সংযোগ শক্তিশালীকৰণ, জি.আই. স্বীকৃত সামগ্ৰীৰ প্ৰচাৰ-প্ৰসাৰ, ডিজিটেল বিপণন তথা শিপিনীসকলৰ সবলীকৰণৰ ব্যৱস্থা অন্তৰ্ভুক্ত থাকিব।

ইয়াৰ উপৰিও, পলাশবাৰী বিধানসভা সমষ্টিত অসমৰ গামোচাৰ অনুমোদিত ব্যৱহাৰকাৰী সকলৰ (authorized user) আৰু Handloom Mark-ৰ ব্যৱহাৰ সম্পৰ্কে সজাগতা সৃষ্টিৰ বাবে এক সজাগতা কাৰ্যসূচী আয়োজন কৰা হ'ব, যাতে উৎপাদিত সামগ্ৰীৰ প্ৰামাণিকতা নিশ্চিত হোৱাৰ লগতে শিপিনীসকলৰ বজাৰ প্ৰতিযোগিতামূলক সক্ষমতা আৰু আত্মনিৰ্ভৰশীলতা বৃদ্ধি পায়।

লগতে, APART আঁচনিৰ অধীনত বৰদুৱাৰ উন্নয়ন খণ্ডত এৰি খণ্ডৰ মুঠ **৪৪ গৰাকী হিতাধিকাৰী** আৰু, Silk Samagra-2 আঁচনিৰ অধীনত পলাশবাৰী বিধান সভা সমষ্টিত মুঠ **২৮ গৰাকী মুগা কৃষকক** বিভিন্ন ধৰণৰ সহায়-সহযোগিতা প্ৰদান কৰা হৈছে।

সেয়েহে, এৰি-মুগা খণ্ডৰ উৎপাদন বৃদ্ধি, কৃষকসকলক সহায়-সহযোগিতা আগবঢ়োৱা আৰু উদ্যোগটোৰ সামগ্ৰিক বিকাশৰ বাবে বিভাগে বিভিন্ন আঁচনিৰ জৰিয়তে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰি আহিছে।

৺৺

**ওপৰোক্ত প্ৰশ্নোত্তৰ "NeVA portal " ত আপলোড কৰা হৈছে।**